# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 19-05-2024
**Time :** 18-00 Hrs.

***Assamese Evening Bulletin***

**:::::::::::::::::::::::::::::::::::::**

লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ত কাইলৈ ৬ খন ৰাজ্য আৰু দুটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৪৯ টা সমষ্টিত হবলগীয়া ভোটগ্ৰহণৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে। তৃতীয় পৰ্যায়ত উত্তৰ প্ৰদেশৰ ১৪ টা, মহাৰাষ্ট্ৰৰ ১৩টা, পশ্চিমবংগৰ ৭টা, ঝাৰখণ্ডৰ ৩টা, বিহাৰ আৰু ওড়িশাৰ ৫ টাকৈ লগতে জম্মু কাশ্মীৰ তথা লাডাখত এটাকৈ সমষ্টিত ভোটগ্ৰহণ হ'ব। এই পৰ্যায়ত মুঠ ৬৯৫ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় হ'ব। এই পৰ্যায়ত প্ৰতিদ্বন্দিতা আগবঢ়োৱা আগশাৰীৰ প্ৰাৰ্থীসমূহৰ ভিতৰত বিজেপিৰ ৰাজনাথ সিং, স্মৃতি ইৰাণী, পিয়ুছ গোৱেল, কংগ্ৰেছৰ ৰাহুল গান্ধী, কে এল শৰ্মা, এন চিৰ ওমৰ আব্দুল্লা আৰু এল জে পি ৰামৱিলাসৰ চিৰাগ পাছোৱান অন্যতম।

০০০০

ষষ্ঠ আৰু সপ্তম তথা অন্তিম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ প্ৰচাৰ পূৰ্ণ গতিত অব্যাহত আছে।

জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ঝাৰখণ্ডৰ জামছেদপুৰত দলৰ প্ৰাৰ্থী বিদ্যুৎ বৰণ মাহাতোৰ হৈ প্ৰচাৰ চলায়। এইবাৰৰ লোকসভা নিৰ্বাচনে দেশৰ বৰ্তমান আৰু ভৱিষ্যত শক্তিশালী কৰি তুলিব বুলি শ্ৰী মোদীয়ে দাবী কৰে। তেওঁ দেশৰ উন্নয়নৰ বাবে ব্যৱসায়ীসকল অতিকে গুৰুত্বপূৰ্ণ বুলিও মন্তব্য কৰে। এই প্ৰসংগত কংগ্ৰেছক তীব্ৰ সমালোচনা কৰি শ্ৰীমোদীয়ে বিৰোধী দলটোৱে ব্যৱসায়ী সম্প্ৰদায়ক দেশৰ শত্ৰু হিচাপে গণ্য কৰে বুলি দাবী কৰে। ব্যৱসায়ী আৰু বিনিয়োগকাৰীসকলৰ বিৰোধিতা কৰিলে জনসাধাৰণৰ কৰ্মসংস্থাপন লাভৰ ক্ষেত্ৰত অসুবিধাৰ সৃষ্টি হ'ব বুলি জ্যেষ্ঠ বিজেপি নেতাগৰাকীয়ে মন্তব্য কৰে। শ্ৰী মোদীয়ে বৰ্তমানৰ নিৰ্বাচনৰ প্ৰসংগত অৰ্থনীতি, যুৱ প্ৰজন্মৰ বাবে নতুন সুযোগ, কৃষি, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগক লৈ হোৱা আলোচনাসমূহৰ বিৰোধিতা কৰাৰ বাবে কংগ্ৰেছ আৰু জে এম এম এনক তীব্ৰ সমালোচনা কৰে। ঝাৰখণ্ডৰ জামছেদপুৰত অনুষ্ঠিত নিৰ্বাচনী সমাৱেশৰ পাছত শ্ৰী মোদী পশ্চিমবংগলৈ ৰাওনা হয়। ৰাজ্যখনৰ পুৰুলীয়া আৰু বিষ্ণুপুৰত দুখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰাৰ পাছত বিজেপি নেতাজনে মেদিনীপুৰত অন্য এটা নিৰ্বাচনী কাৰ্যসূচীত অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে আজি সন্ধিয়া নিৰ্বাচনী ভ্ৰমণসূচীৰে শ্ৰী মোদী ভুবনেশ্বৰত উপস্থিত হ'ব। কাইলৈ পুৰীত তেওঁ এটা নিৰ্বাচনী ৰোড শ্ব'ত অংশগ্ৰহণ কৰিব।

ইফালে বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে আজি উত্তৰ প্ৰদেশ আৰু বিহাৰত নিৰ্বাচনী কাৰ্যসূচীত অংশগ্ৰহণ কৰে। উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজ আৰু জৌনপুৰৰ নিৰ্বাচনী সভাত ভাষণ দিয়াৰ পাছত বিজেপি নেতাগৰাকীয়ে বিহাৰৰ বেটিয়াত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে।

ইফালে ষষ্ঠ আৰু সপ্তম পৰ্যায়ৰ ভোটগ্ৰহণৰ পূৰ্বে কংগ্ৰেছ নেতা মল্লিকাৰ্জুন খাৰ্গেয়ে কংগ্ৰেছৰ পঞ্চমুখী ন্যায় আৰু ২৫টা প্ৰতিশ্ৰুতিৰ বিষয়ে জনসাধাৰণক অৱগত কৰে।

০০০০

উত্তৰ পূৰ সীমান্ত ৰেলৰে গ্ৰীষ্মকালত যাত্ৰীৰ অতিৰিক্ত ভীৰ নিয়ন্ত্ৰণৰ বাবে কেইখনমান ৰেলৰ চলাচল নাইবা যাত্ৰাৰ সময় বৃদ্ধি কৰাৰ সিদ্ধান্ত লৈছে। এই অনুসৰি গুৱাহাটীৰ পৰা বেংগালুৰু অভিমুখী প্ৰতি বুধবাৰে পুৱা ৬ বজাত গুৱাহাটীৰ পৰা যাত্ৰা কৰি শুকুৰবাৰে দিনৰ ১০ বজাত বেংগালুৰুত উপস্থিত হোৱা বিশেষ ৰেলখন ২৯ মে'ৰ পৰা ১২ জুন পৰ্যন্ত চলাচলৰ বাবে সম্প্ৰসাৰিত কৰা হৈছে। ওভতনি যাত্ৰাত ৰেলখনে প্ৰতি দেওবাৰে চাৰে বাৰ বজাত বেংগালুৰুৰ পৰা যাত্ৰা কৰি পুৱা চাৰে পাচ বজাত গুৱাহাটীত উপস্থিত হোৱা এই বিশেষ ৰেলখন ২৬ মে'ৰ পৰা ৯ জুন পৰ্যন্ত চলাচলৰ বাবে সম্প্ৰসাৰিত কৰা হ'ব। একেদৰে মায়চ'ৰ মুজফ্ফৰপুৰ সংযোগী ৰেলখন মায়চ'ৰৰ পৰা প্ৰতি সোমবাৰে দিনৰ চাৰে দহ বজাত যাত্ৰা আৰম্ভ কৰি বুধবাৰে দিনৰ ডেৰ বজাত মুজফ্ফৰপুৰত উপস্থিত হৈছিল যদিও এই ৰেলখন ১০ জুন পৰ্যন্ত চলাচলৰ বাবে সম্প্ৰসাৰণ কৰা হৈছে। ওভতনি যাত্ৰাৰ দিশত এই ৰেলখন প্ৰতি বৃহস্পতিবাৰে দিনৰ এখ বজাত মুজফ্ফৰপুৰৰ পৰা যাত্ৰা আৰম্ভ কৰি শনিবাৰে বিয়লি ৪ বাজি ৪০ মিনিটত মায়চ'ৰত উপস্থিত হৈছিল। এই ৰেলখন ১৩ জুন পৰ্যন্ত চলাচলৰ বাবে সম্প্ৰসাৰণ কৰা হৈছে।

০০০০

তিনিচুকীয়াৰ চেনাইৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ত জিলা ভিত্তিক এখন চিত্ৰাংকণ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলৰ সুপ্ত প্ৰতিভা বিকাশৰ উদ্দেশ্যেৰে আয়োজন কৰা প্ৰতিযোগিতাখনত মুঠ ৬২ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থানপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকলক পুৰস্কৃত কৰাৰ লগতে জিলাখনৰ বিভিন্ন বিদ্যালয়ক প্ৰতিনিধিত্ব কৰা ছাত্ৰ-ছাত্ৰীসকলক উদ্যোক্তাসকলে প্ৰমাণপত্ৰ প্ৰদান কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ